গ্ৰাম্য জনসাধাৰণক বুজাই দিয়াৰপৰা বিৰত আছিল। ফলত স্কুলীয়া শিক্ষাৰে শিক্ষিত নোহোৱা কিন্তু উচ্চ মনোভাবসম্পন্ন সৎ স্বভাৱৰ জ্ঞানলিপ্সু লোকসকল একপ্ৰকাৰ অশান্তিত ভুগিছিল। আনহাতে নিম্ন শ্ৰেণীৰ হোজা লোকসকলৰ কিছুমান তান্ত্ৰিক হৈছিল আৰু আন কিছুমানে ইছলাম ধৰ্মত দীক্ষিত হ'বলৈ ধৰিছিল। মুঠতে সেই সময়ত অসমত ধৰ্মীয় দিশটো সংকটাপন্ন হৈ পৰিছিল। এনে সন্ধিক্ষণতে ওপৰত উল্লিখিত মহাপুৰুষসকল এই নিৰীহ লোকসকলৰ ত্ৰাণকৰ্তাৰূপে আগবাঢ়ি আহিছিল। **এই চাৰিগৰাকী মহাপুৰুষে বিভিন্ন কাব্য, নাট, গীত-পদ আদি ৰচনা কৰিছিল আৰু অসমৰ গাঁৱে-ভূঁয়ে, চুকে-কোণে গৈ খোল-তাল বজাই নাম-কীৰ্তন কৰি আৰু ভাওনা-সবাহ পাতি ৰাইজৰ মাজত সনাতন হিন্দু ধৰ্মৰ বহুল প্ৰচাৰ কৰিছিল। এইদৰে তেৰাসৰৰ অনুগামী শিষ্য, সাধু-বৈষ্ণৱসকলেও সৰ্বসাধাৰণ জনগণৰ মাজত সোমাই ধৰ্মীয় নীতি আৰু আদৰ্শসমূহ সহজ-সৰল ভাষাৰে ব্যাখ্যা কৰি বুজাই দিছিল।**

নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক আৰু প্ৰচাৰক এই চাৰিজনা মহাপুৰুষৰ বহুমুখী প্ৰতিভা আৰু বিস্তৃত কাৰ্যাৱলীৰ বিষয়ে বিদগ্ধ পণ্ডিতসকলে বিভিন্ন গ্ৰন্থ আৰু চৰিতপুথিত সবিস্তাৰে বৰ্ণনা কৰিছে। তেখেতসকলৰ জীৱন আৰু কৰ্মৰাজিৰ বিষয়ে এই লেখাত চমুকৈ উল্লেখ কৰা হ'ল।

**মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ ঃ** ১৩৭১ শকৰ (ইংৰাজী ১৪৪৯ খ্ৰিষ্টাব্দ) আহিন মাহৰ শুক্লা দশমীৰ দিনা নগাঁও জিলাৰ বৰদোৱা অঞ্চলৰ আলিপুখুৰীত শংকৰদেৱে জন্মগ্ৰহণ কৰিছিল। শংকৰদেৱৰ পিতৃ আছিল কুসুম্বৰ ভূঞা আৰু মাতৃৰ নাম আছিল সত্যসন্ধা। বাল্যকালতে শংকৰদেৱৰ মাতৃ বিয়োগ ঘটিছিল। বুঢ়ীমাক খেৰসুতিৰ তত্ত্বাৱধানত শংকৰদেৱৰ শিশুকাল অতিবাহিত হয়। ১২ বছৰ বয়সলৈকে শংকৰদেৱে উমলি-জামলিয়ে কটাইছিল। এদিন হঠাৎ খেৰসুতি চিন্তিত হৈ পৰিল। শংকৰৰ দেখোন বিদ্যাশিক্ষাৰ সময় উকলি গ'ল। তেওঁ শংকৰক বুজাই-বঢ়াই এদিন শুভ দিন-বাৰ চাই পণ্ডিত মহেন্দ্ৰ কন্দলীৰ টোলত নাম লগাই দিলে। তীক্ষ্ণ বুদ্ধিৰ শংকৰে এবাৰ শিকাই দিলেই পাঠসমূহ সহজে আয়ত্ত কৰিব পাৰিছিল। শিক্ষাগুৰু মহেন্দ্ৰ কন্দলীয়ে শংকৰৰ প্ৰতিভাত মুগ্ধ হৈ শংকৰৰ নামৰ পাছত 'দেৱ' উপাধি লগাই 'শংকৰদেৱ' বুলি মাতিবলৈ সহপাঠীসকলক আজ্ঞা দিলে। তেতিয়াৰপৰা তেখেত শংকৰদেৱ নামে জনাজাত হ'ল। লাহে লাহে শংকৰদেৱে কৈশোৰ অতিক্ৰম কৰি যৌৱনত ভৰি দিলে। ২১ বছৰ বয়সত

◆◆

***বংগদেশত শ্ৰীচৈতন্যদেৱে তেওঁৰ শিষ্য-প্ৰশিষ্যসকলৰ সহযোগত শ্ৰীকৃষ্ণ সংকীৰ্তনৰ যোগেদি ভক্তিধৰ্মৰ প্ৰচাৰ কৰিছিল। অসমতো শ্ৰীমন্ত শংকৰদেৱ তেখেতৰ প্ৰিয় শিষ্য মাধৱদেৱৰ সৈতে একশৰণ ভাগৱতী ধৰ্ম প্ৰচাৰত উঠিপৰি লাগে। কিছু অগাপিছাকৈ মহাপুৰুষ শ্ৰীদামোদৰদেৱ আৰু শ্ৰীহৰিদেৱ আদি মহাপুৰুষসকলৰ আবিৰ্ভাৱ ঘটাত এই ধৰ্মৰ ভেটি আৰু সুদৃঢ় হৈ পৰে।***

◆◆◆

শংকৰদেৱৰ উপনয়ন পতা হ'ল।

প্ৰসিদ্ধ শিৰোমণি ভূঞা বংশত জন্মগ্ৰহণ কৰিও শংকৰদেৱে সৰুৰেপৰা বহুতো ঘাত-প্ৰতিঘাত অতিক্ৰম কৰিব লগীয়া হৈছিল। নিজৰ অসাধাৰণ ব্যক্তিত্বৰ গুণত অৱশেষত মহাপুৰুষ হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল। এইজনা মহাপুৰুষে উপলব্ধি কৰিছিল যে বিভিন্ন সম্প্ৰদায় বা বিভিন্ন মতাৱলম্বী লোকৰ মাজত একতা আনিবলৈ হ'লে ভক্তিমাৰ্গৰ সহজ পন্থা এটা প্ৰৱৰ্তন কৰিব লাগিব। এই উদ্দেশ্যে এই জ্ঞাননিষ্ঠ ব্যক্তিগৰাকীয়ে তীৰ্থ ভ্ৰমণৰ মানসেৰে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইলৈ গৈ বহুতো মঠ-মন্দিৰ, তীৰ্থস্থান দৰ্শন কৰি সুদীৰ্ঘ ১২ বছৰৰ মূৰত নিজ ৰাজ্যলৈ ঘূৰি আহে। এই ভ্ৰমণৰ ফলত ধৰ্ম সম্পৰ্কে তেখেতে যথেষ্ট জ্ঞান আহৰণ কৰিছিল। ইয়াৰ পাছতে তেখেতে 'এক শৰণ নাম ধৰ্ম' নাম দি অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ পাতনি মেলে। এই ধৰ্মৰ কিছুমান বিশেষ বৈশিষ্ট্য আছিল, যেনে—এই ধৰ্ম কৃষ্ণভক্তি প্ৰধান; ভাগৱত পুৰাণ আৰু গীতাৰ আদৰ্শ এই ধৰ্মৰ মূলমন্ত্ৰ; বিষ্ণু ভক্তি আৰু শ্ৰৱণ-কীৰ্তনযোগে ভগৱানৰ উপাসনা; যাগ-যজ্ঞ, তপস্যা-ব্ৰত, বলি-বিধান আদিৰ প্ৰয়োজন নাই, অহিংসা, প্ৰেম, দয়া, ক্ষমা আদি সৎ প্ৰবৃত্তিৰদ্বাৰা ভগৱৎ প্ৰাপ্তি; ভক্তিৰ ক্ষেত্ৰত উচ্চ-নীচ, ভেদাভেদ পৰিহাৰ কৰি সকলোৰে সম অধিকাৰ ইত্যাদি। এই নীতি আৰু আদৰ্শসমূহ সহজ-সৰলভাৱে জনসাধাৰণে উপলব্ধি কৰিব পৰাকৈ মহাপুৰুষজনাই দশম, কীৰ্তন, অংকীয়া নাট, বৰগীত আদি ৰচনা কৰাৰ উপৰিও সংস্কৃত ভাষাৰ বিভিন্ন কাব্যৰ অনুবাদ কৰিছিল। এই ৰচনাসমূহ যে কেৱল ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰতহে প্ৰযোজ্য এনে নহয়, এইসমূহ অসমীয়া সাহিত্য জগতৰো অমূল্য সম্পদ। শ্ৰীমন্ত শংকৰদেৱ আছিল এগৰাকী বহুমুখী প্ৰতিভাসম্পন্ন পুৰুষ। তেখেত একেৱাহে ধৰ্মপ্ৰচাৰক, কবি, সাহিত্যিক, নাট্যকাৰ, আনকি এগৰাকী অভিনেতাও আছিল। ভক্তিধৰ্ম প্ৰচাৰত প্ৰথম অৱস্থাত গোড়া লোক কিছুমানৰপৰা যথেষ্ট বাধাৰ সন্মুখীন হোৱাত 'চিহ্নযাত্ৰা' নামৰ ভাওনা পাতি নিজেও অভিনয় কৰি দৰ্শকক মুগ্ধ কৰিবলৈ সক্ষম হৈছিল।

পণ্ডিতসকলে শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাসমূহ এইকেইটা ভাগত ভাগ কৰিছে, যেনে—

(ক) **কাব্য**—(১) হৰিশ্চন্দ্ৰ উপাখ্যান, (২) ৰুক্মিণী হৰণ, (৩) বলিছলন, (৪) অমৃত মন্থন, (৫) অজামিল উপাখ্যান, (৬) কুৰুক্ষেত্ৰ।

(খ) **ভক্তিমূলক গ্ৰন্থ**—(১) ভক্তি প্ৰদীপ, (২) ভক্তি ৰত্নাকৰ (সংস্কৃতত ৰচিত), (৩) নিমি নৱসিদ্ধ সংবাদ আৰু (৪) অনাদি পাতন।

(গ) **অনুবাদমূলক গ্ৰন্থ**—(১) ভাগৱতৰ প্ৰথম, দ্বিতীয়, ষষ্ঠ আৰু অষ্টম খণ্ডৰ কিছু অংশ, দশম, দ্বাদশ স্কন্ধ আৰু (২) উত্তৰাকাণ্ড ৰামায়ণ।

(ঘ) **অংকীয়া নাট**—(১) পত্নীপ্ৰসাদ, (২) কালীয় দমন, (৩) কেলিগোপাল, (৪) ৰুক্মিণীহৰণ, (৫) পাৰিজাত হৰণ আৰু (৬) ৰামবিজয়।

(ঙ) **গীত**—(১) বৰগীত, (২) ভটিমা, (৩) টোটয়, (৪) চপয়।

(চ) **নামপ্ৰসংগ**—(১) কীৰ্তনঘোষা, (২) গুণমালা।

মহাপুৰুষজনাৰ এই অমূল্য ৰচনাৰাজি আজিও অসমীয়া সাহিত্যৰ আপুৰুগীয়া সম্পদৰূপে চিহ্নিত হৈ আছে।

**মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰধান আৰু প্ৰিয় শিষ্য আছিল মাধৱদেৱ। ১৪৮৯ চনত উত্তৰ লখিমপুৰৰ নাৰায়ণপুৰত মাধৱদেৱৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম আছিল গোবিন্দগিৰী। কোনো চৰিতপুথি মতে বৰকণাগিৰী আৰু দামোদৰ নামেৰেও জনা যায়। তেখেতসকল প্ৰথমতে শাক্ত ধৰ্মীয় লোক আছিল। মাধৱদেৱে ৰংপুৰ নগৰৰ এখন সংস্কৃত টোলত শাস্ত্ৰ অধ্যয়ন কৰি যথেষ্ট জ্ঞান লাভ কৰিছিল। দৈৱক্ৰমে এদিন শ্ৰীমন্ত শংকৰদেৱৰ লগত শাক্ত ধৰ্ম আৰু বৈষ্ণৱ ধৰ্মৰ বিষয় লৈ বাক-বিতণ্ডাৰ সৃষ্টি হয়। দুয়োৰে মাজত বহু সময় ধৰি নিজৰ নিজৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিবলৈ তৰ্কাতৰ্কি হয় যদিও শ্ৰীমন্ত শংকৰদেৱৰ আগত মাধৱদেৱ নতশিৰ হ'বলৈ বাধ্য হয়